**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৯১/২০১৯**

## বিশিষ্ট সমাজকৰ্মী দ্বিজেন বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৭ ডিচেম্বৰ ঃ** বিশিষ্ট সমাজকৰ্মী, অসম আন্দোলনৰ সক্ৰিয় কৰ্মী দ্বিজেন বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱন কালত প্ৰয়াত দ্বিজেন বৰুৱাই বিভিন্ন সমাজ হিতকৰ কামত জড়িত থাকি সমাজ উত্তৰণৰ দিশত যি বৰঙণি যোগাই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত দ্বিজেন বৰুৱাই বিভিন্ন বিদ্যালয় পৰিচালনা সমিতিৰ বিষয় বাবত থাকি ৰাজ্যখনৰ শৈক্ষিক উত্তৰণৰ দিশত বৰঙণি যোগাই গৈছে। তদুপৰি বিভিন্ন নাট আৰু ভাওনাত সাৱলীল অভিনয়েৰে আমাৰ কৃষ্টি-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰটো অনৱদ্য সেৱা আগবঢ়াই গৈছে। প্ৰয়াত দ্বিজেন বৰুৱা অসম আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপে যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত দ্বিজেন বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**১৭/১২/২০১৯**